স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

L-15 ☐ NO-2 ☐ THURSDAY 6 MARCH 2025

(ডিব্ৰুগড় সংস্কৰণ/DIB

### শ্ৰেষ্ঠ গায়কৰ বঁটা লাভ ছাত্ৰী আকাংক্ষা প্ৰাপ্তিৰ

## কানৈ মহাবিদ্যালয়ত বাৰ্ষিক খেল সপ্তাহৰ মুকলি-বঁটা বিতৰণী সভা



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৫ মাৰ্চ ঃ** অভিজ্ঞতাই জীৱনক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৯সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ ২ মাৰ্চৰ মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমাৰ ডীন ড° সুৰজিৎ বৰকটকীয়ে এইদৰে কয়। ড° বৰকটকীয়ে কয়— উপলব্ধিয়ে পৰৱৰ্তী সময়ত জীৱনটোক আগুৱাই নিয়াত সহায় কৰে। জীৱনৰ ভাল-বেয়া উপলব্ধিয়ে সফলতা লাভ কৰাত সহায় কৰে। ছাত্ৰী আবৃতা লীজা পাঠকে আঁত ধৰা অনুষ্ঠানত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাটো অতি গুৰুত্বপূৰ্ণ কথা। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলে জীৱনত এক নতুন অভিজ্ঞতা লাভ কৰাত সহায় কৰে আৰু জীৱনক উত্তৰণ ঘটোৱাত সহায় কৰে। পুৱা ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া এক বিশাল শোভাযাত্ৰাৰে শুভাৰম্ভ কৰা অনুষ্ঠানত তেওঁ কয়— ছাত্ৰ অৱস্থাত অধিক অভিজ্ঞতা লাভ কৰিবলৈ চেষ্টা কৰিব লাগে, যি অভিজ্ঞতাই পৰৱৰ্তী সময়ত জীৱনটোক সঠিক দিশত আগুৱাই নিয়াত সহায় কৰে। ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— সাম্প্ৰতিক সময়ত শিক্ষাৰ্থীসকলে প্ৰমাণ-পত্ৰ লাভ কৰাতকৈ দক্ষতা আহৰণৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। পৃথিৱীত বৰ্তমান দক্ষতা আহৰণ কৰা, দক্ষতা অৰ্জন কৰাৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। প্ৰতিজন শিক্ষাৰ্থীয়ে জীৱনৰ প্ৰয়োজনীয় সকলো ক্ষেত্ৰতে দক্ষতা অৰ্জন কৰিব লাগে বুলি তেওঁ কয়। তেওঁ কয়— মহাবিদ্যালয়ৰ প্ৰতিযোগিতাসমূহ কেৱল প্ৰতিযোগিতা নহয়, বৰঞ্চ সমন্বয় আৰু সম্প্ৰীতিৰ এক কাৰ্যসূচী। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ সমন্বয়ক ড° মৃদুল শৰ্মা, সমন্বয়ক ছাত্ৰ সম্পৰ্ক ড° জ্যোতিপ্ৰসাদ ফুকন, অসম কলেজ শিক্ষক সংস্থাৰ কানৈ মহাবিদ্যালয় গোটৰ সভানেত্ৰী ড° চন্দনা গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। ৭৯সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ গায়কৰ বঁটা লাভ কৰিবলৈ সক্ষম হয় পৰিসংখ্যা বিভাগৰ ছাত্ৰী আকাংক্ষা প্ৰাপ্তিয়ে, শ্ৰেষ্ঠ বিভাগৰ বঁটা লাভ কৰে ৰাজনীতি বিজ্ঞান বিভাগে, শ্ৰেষ্ঠ নাট্য দল হিচাপে বিজয়ী হৈ বঁটা লাভ কৰে ৰুক্মিণী কানৈ ছাত্ৰীনিৱাসে, শোভাযাত্ৰাত নৃতত্ত্ব বিভাগে শ্ৰেষ্ঠ দল হিচাপে বঁটা লাভ কৰে, শ্ৰেষ্ঠ শৃংখলাবদ্ধ বিভাগৰ সন্মান লাভ কৰে শিক্ষাতত্ত্ব বিভাগে, কুচকাৱাজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হিচাপে বঁটা লাভ কৰে অসমীয়া বিভাগে।